# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 11-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। সংসদৰ দুয়োখন সদনতে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আজি পুনৰ আলোচনা হ'ব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চি বি আই আৰু ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰক অন্যান্য প্ৰতিষ্ঠানসমূহৰ সৈতেও এক যৌথ ব্যৱস্থা গঢ়ি তুলিবলৈ আহ্বান জনায়।

৩। ভাৰতে ব্ৰিটেইন আৰু উত্তৰ আয়াৰলেণ্ডৰ সৈতে সামাজিক সুৰক্ষাৰ অৱদান সম্পৰ্কীয় সামাজিক সুৰক্ষা চুক্তিত স্বাক্ষৰ কৰে।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে জনসাধাৰণকেন্দ্ৰিক কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা, পৰামৰ্শ আৰু সমন্বয়ৰ বাবে ব্ৰীকছ উল্লেখযোগ্য মঞ্চ হিচাপে পৰিগণিত হৈছে বুলি মত প্ৰকাশ কৰিছে। ***আৰু***

৫। পুৰুষৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি দক্ষিণ আফ্ৰিকা আফগানিস্তাৰ, অষ্ট্ৰেলিয়া আয়াৰলেণ্ডৰ আৰু ইংলেণ্ড ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সংসদৰ দুয়োখন সদনতে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা আজি পুনৰ আৰম্ভ হ'ব। ৰাজ্যসভাত কালি এই বিষয়ৰ আলোচনাত অংশগ্ৰহণ কৰি শিৱসেনাৰ সাংসদ মিলিন্দ দেওৰাই কয় যে ৰাজনৈতিক আৰু অৰ্থনৈতিক উত্থান-পতনৰ এই সময়ত ভাৰত অৰ্থনৈতিক বিকাশ আৰু স্থিৰতা নিদৰ্শনৰূপে পৰিগণিত হৈছে।

বিজেপিৰ সুৰেন্দ্ৰ সিং নাগৰে আলোচনাত ভাগ লৈ কয় যে বাজেটত অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ লগতে আশা-আকাংক্ষা পূৰণ আৰু সামাজিক খণ্ডৰ সকলো আঁচনি জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাত অগ্ৰাধিকাৰ দিয়া হৈছে। টি ডি পিৰ মস্তান ৰাও বিধাই কয়, যে এইবাৰৰ বাজেটত অৰ্থনৈতিক স্থিতিশীলতা, আন্তঃগাঁথনি বৃদ্ধি, প্ৰযুক্তিগত পৰিৱৰ্তন আৰু সামাজিক অন্তৰ্ভুক্তিৰ সংমিশ্ৰণ ঘটিছে। এন চি পি-এছ চি পিৰ ফৌজিয়া খানে শিশুকেন্দ্ৰিক ব্যয় হ্ৰাস পোৱাৰ বাবে উদ্বেগ প্ৰকাশ কৰে। ডি এম কেৰ কানিম'ইয়ে এইবাৰৰ বাজেটখনক দুখীয়াৰ কল্যাণৰ পৰিপন্থী বুলি অভিহিত কৰে। কংগ্ৰেছৰ নীৰজ দাংগিয়ে আলোচনাত ভাগ লৈ বাজেটখন শ্ৰমিক, কৃষক, যুৱ প্ৰজন্ম আৰু মধ্যবিত্ত শ্ৰেণীৰ আশা-আকাংক্ষা পূৰণত ব্যৰ্থ হোৱা বুলি অভিযোগ কৰে। তৃণমূল কংগ্ৰেছৰ সুখেন্দু শেখৰ ৰয়ে কয় যে বাজেটত বীমা ক্ষেত্ৰত ১০০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অনুমতি দিয়া হৈছে আৰু ইয়াৰ ফলত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বীমা কোম্পানীসমূহৰ ব্যৱসায় প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে।

লোকসভাতো কেন্দ্ৰীয় বাজেটক লৈ কালি আলোচনা হয়। কংগ্ৰেছ সাংসদ শশী থাৰুৰে আলোচনাৰ পাতনি মেলি কয় যে বাজেটত চৰকাৰী খৰচ কৰ্তন কৰা হৈছে আৰু সংগৃহীত কৰৰ পৰিমাণ অপৰিৱৰ্তিত ৰখা হৈছে।

বিজেপিৰ অপৰাজিতা সাৰংগীয়ে কয় যে বাজেটত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা, দৃঢ়তা আৰু নিৰন্তৰতাৰ প্ৰতিফলন দেখিবলৈ পোৱা গৈছে। সমাজবাদী পাৰ্টীৰ অখিলেশ যাদৱে এইবাৰৰ বাজেটখনক দিশাহীন বাজেট বুলি অভিহিত কৰে। আলোচনাত ভাগ লৈ তৃণমূল কংগ্ৰেছৰ অভিযেক বেনাৰ্জীয়ে সংবিধানত ৰাজ্যসমূহৰ মাজত সমতাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছে যদিও বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে বছা বছা ৰাজ্যক অগ্ৰাধিকাৰ দিয়া নীতি গ্ৰহণ কৰি আহিছে বুলি অভিযোগ কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চি বি আই আৰু ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰক এন আই এ, ই ডি আৰু বেংকৰ দৰে অন্যান্য প্ৰতিষ্ঠানসমূহৰ সৈতে এক যৌথ ব্যৱস্থা গঢ়ি তুলিবলৈ আহ্বান জনায়। ইয়াৰ ফলত এক সমন্বিত আৰু অতি সুৰক্ষিত পৰিৱেশ তন্ত্ৰ উদ্ভাৱন কৰিব পাৰি আৰু অপৰাধ সংঘটিত কৰিবলৈ নতুন প্ৰযুক্তি ব্যৱহাৰ কৰা চাইবাৰ অপৰাধীক প্ৰতিহত কৰিবলৈ আগবাঢ়ি থাকিব পাৰি। গৃহমন্ত্ৰীগৰাকীয়ে কালি নতুন দিল্লীত চাইবাৰ প্ৰবঞ্চনা নিয়ন্ত্ৰণ আৰু ইয়াৰ সৈতে জড়িত ব্যৱস্থাৰ বিনাশ সম্পৰ্কীয় ৰাষ্ট্ৰীয় অভিৰৰ্তন মুকলি কৰি এইদৰে প্ৰকাশ কৰে। শ্ৰীশ্বাহে কয় যে চাইবাৰ সুৰক্ষাৰ বিষয়টো দেশৰ সুৰক্ষাৰ সৈতে জড়িত। তেওঁ কয় যে ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰ চাইবাৰ অপৰাধ নিয়ন্ত্ৰণৰ বাবে গুৰুত্বপূৰ্ণ মঞ্চৰূপে পৰিগণিত হৈছে। তেওঁ লগতে দেশবাসীৰ মাজত চাইবাৰ সুৰক্ষাৰ বিষয়ে অধিক সজাগতা সৃষ্টিৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে দেশত প্ৰতি ৩৭ ছেকেণ্ডত এজন ব্যক্তি আৰু প্ৰতিঘণ্টাত এশজনকৈ লোক চাইবাৰ অপৰাধৰ বলি হয়। শ্ৰীশ্বাহে লগতে কয়, যে ৩ লাখ ৬১ হাজাৰ চাইবাৰ জালিয়াতিৰ অভিযোগৰ জৰিয়তে চৰকাৰে ৮ হাজাৰ ১৮৯ কোটি টকা সুৰক্ষিত কৰিছে যিটো উল্লেখযোগ্য সফলতা হিচাপে পৰিগণিত হৈছে।

০০০০০

ভাৰতে ব্ৰিটেইন আৰু উত্তৰ আয়াৰলেণ্ডৰ সৈতে সামাজিক সুৰক্ষাৰ অৱদান সম্পৰ্কীয় সামাজিক সুৰক্ষা চুক্তিত স্বাক্ষৰ কৰে। নতুন দিল্লীত কালি বৈদেশিক সচিব বিক্ৰম মিশ্ৰী আৰু ভাৰতত থকা ব্ৰিটিছ উচ্চায়ুক্ত লিণ্ডি কেমেৰনে এই চুক্তিত স্বাক্ষৰ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কয়, যে এই চুক্তিয়ে ৩৬ মাহৰ বাবে পৰস্পৰৰ ভূখণ্ডক অস্থায়ীভাৱে নিযুক্তি দিয়া দুয়োখন দেশৰ কৰ্মচাৰীৰ বাবে সামাজিক সুৰক্ষা নিশ্চিত কৰিব। এই চুক্তিয়ে কম সময়ৰ বাবে নিযুক্তি লাভ কৰা কৰ্মচাৰীসকলক গতিশীলতা আৰু সামাজিক সুৰক্ষা অব্যাহত ৰখাত সহায় কৰিব। মন্ত্ৰ্যালয়ে লগতে কয়, যে এই চুক্তিখন ব্ৰিটেইনৰ সৈতে ভাৰতৰ বাণিজ্যিক চুক্তিৰ অংশ আৰু ই সৰ্বাংগীণ অৰ্থনৈতিক চুক্তিৰ সৈতে কাৰ্যকৰী হ'ব।

শ্ৰীমিশ্ৰীয়ে ব্ৰীকছ শ্বেৰপা বৈঠকত অংশগ্ৰহণৰ উদ্দেশ্যে ভাৰতত থকা চীনৰ কাৰ্যবাহী উপ-বিদেশমন্ত্ৰী মা ঝাওক্সুৰ সৈতেও ভাৰত-চীন কৌশলগত আলোচনাত অংশগ্ৰহণ কৰে। এই বৈঠকত দুয়োপক্ষই দ্বিপাক্ষিক সম্পৰ্কৰ ইতিবাচক গতিৰ বিষয়ে পৰ্যালোচনা কৰে আৰু জনসাধাৰণৰ আদান-প্ৰদান বৃদ্ধি কৰি সম্পৰ্ক আৰু অধিক আগুৱাই নিয়াৰ উপায়ৰ বিষয়ে আলোচনা কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণমৰ্মে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ন এই মাহৰ ১৭ তাৰিখে তিনিদিনীয়া ভ্ৰমণসূচীলৈ ভাৰতত উপস্থিত হ'ব। ৰাষ্ট্ৰপতি মেক্ৰ'নে অহা ১৯ ফেব্ৰুৱাৰীত নতুন দিল্লীত এ আই ইম্পেক্ট সন্মিলনত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে নতুন দিল্লীত অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা এই

সন্মিলন অনুষ্ঠিত হ’ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয়, যে এই ভ্ৰমণৰ সময়ছোৱাত দুয়োগৰাকী নেতাই হ’ৰাইজন ২০৪৭ ৰোডমেপত সন্নিবিষ্ট কৰা অনুসৰি বিভিন্ন ক্ষেত্ৰৰ দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰিব।

নেতাদ্বয়ে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সহযোগিতাকে ধৰি পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক তথা গোলকীয় বিষয়সমূহৰ ওপৰতো আলোচনা কৰিব। ইয়াৰ উপৰি দুয়োগৰাকী নেতাই মুম্বাইত ২০২৬ বৰ্ষটোত দুয়োখন দেশতে অনুষ্ঠিত হ’বলগীয়া ভাৰত-ফ্ৰান্স উদ্ভাৱন বৰ্ষও যুটীয়াভাৱে মুকলি কৰিব। যোৱা বছৰৰ ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰী মোদীৰ ফ্ৰান্স ভ্ৰমণৰ পাছতে ৰাষ্ট্ৰপতি মেক্ৰ’নৰ এই ভ্ৰমণে ভাৰত-ফ্ৰান্স কৌশলগত অংশীদাৰিত্বৰ পাৰস্পৰিক আস্থা আৰু গভীৰতা প্ৰতিফলিত কৰিছে।

00000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে ব্ৰিকছ ২০২৬ত অংশগ্ৰহণ কৰা বিভিন্ন দেশৰ প্ৰতিনিধি আৰু চেৰ্পাৰ সৈতে মত বিনিময় কৰে। সামাজিক মাধ্যমত এটা পোষ্ট যোগে ড০ জয়শংকৰে কয় যে ২০ বছৰ সম্পূৰ্ণ কৰা ব্ৰিকছ- জনসাধাৰণকেন্দ্ৰিক কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা, পৰামৰ্শ আৰু সমন্বয়ৰ বাবে উল্লেখযোগ্য মঞ্চ হিচাপে পৰিগণিত হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ব্ৰিকছ ২০২৬ৰ উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাৰ অগ্ৰাধিকাৰসমূহ আগবঢ়াই নিয়াৰ বাবে প্ৰতিনিধি দলসমূহে প্ৰদান কৰা পৰামৰ্শ আৰু দৃষ্টিভংগী অতি মুল্যৱান।

00000

আকাশবাণী বাতৰি বিভাগে আজি বিজ্ঞানত আন্তঃৰাষ্ট্ৰীয় মহিলা আৰু কন্যা দিৱস উপলক্ষে **গল্পৰ আঁৰৰ ব্যক্তি** শীৰ্ষক প’ডকাষ্ট ধাৰাবাহিকত কাউন্সিল অফ ছায়েণ্টিফিক এণ্ড ইণ্ডাষ্ট্ৰিয়েল ৰিচাৰ্চৰ সঞ্চালক প্ৰধান ড০ এল কলাইছেলভিৰ সৈতে এটা কথোকথন সম্প্ৰচাৰ কৰিব। ড০ এল কলাইছেলভি হৈছে চি এছ্ আই আৰৰ সঞ্চালক প্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰা প্ৰথমগৰাকী মহিলা। এই অনুষ্ঠানটি আজি পুৱা ৯ বাজি ১০ মিনিটত আকাশবাণীৰ এফ এম গ’ল্ডযোগে শুনিবলৈ পোৱা যাব। আজি সন্ধিয়া ৫ বাজি ১০ মিনিটত অনুষ্ঠানটিৰ পুনৰ সম্প্ৰচাৰ শুনিবলৈ পোৱা যাব।

00000

ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি বিভাগৰ ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদে কালি নতুন দিল্লীৰ কৰ্তব্য পথত ইণ্ডিয়া এ আই শ্বোকেছ বাছৰ শুভাৰম্ভ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীপ্ৰসাদে কয়, যে এই শুভাৰম্ভণি ইণ্ডিয়া এ আই ইমপেক্ট সন্মিলনৰ অংশ আৰু এই সন্মিলন অহা ১৬ তাৰিখৰ পৰা নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ’ব। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে এই বাছৰ লক্ষ্য হৈছে কৃত্ৰিম বুদ্ধিমত্তাৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰা আৰু যুৱক-যুৱতীসকলক ইয়াৰ ব্যৱহাৰ আৰু উপকাৰিতাৰ বিষয়ে জ্ঞাত কৰা। দেশৰ যুৱক-যুৱতী, ষ্টাৰ্ট-আপ, গৱেষক আৰু উদ্ভাৱকসকলে দেশক কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে ক্ষেত্ৰত সমগ্ৰ বিশ্বত সেৰা প্ৰদানকাৰী হিচাপে গঢ়ি তোলাত মূখ্য ভূমিকা পালন কৰিব বুলিও মন্ত্ৰী গৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ইয়াৰ দ্বাৰা বিভিন্ন খণ্ডত নিয়োগ, উৎপাদনশীলতা আৰু আয় বৃদ্ধি হব।

00000

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি নতুন দিল্লীত অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৰ সৈতে মত বিনিময় কৰে। বৈঠকৰ পিছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী চৌহানে কয় যে অন্ধ্ৰ প্ৰদেশে দেশৰ কৃষিত প্ৰায় ১০ শতাংশ অৰিহণা আগবঢ়ায়। কেন্দ্ৰীয় চৰকাৰে কেইবাখনো আঁচনি আৰু পদক্ষেপৰ জৰিয়তে ৰাজ্যখনৰ কৃষিক্ষেত্ৰ শক্তিশালী

কৰাৰ বাবে এটা দল গঠন কৰা বুলিও তেওঁ মন্তব্য কৰে। মন্ত্ৰী গৰাকীয়ে লগতে উল্লেখ কৰে যে কেন্দ্ৰীয় বাজেট ২০২৬-২৭ত ঘোষণা কৰা কেইবাখনো আঁচনি ৰূপায়ণৰ বাবে অন্ধ্ৰপ্ৰদেশে দ্ৰুতগতিত কাম কৰি আছে।

সংবাদ মাধ্যমৰ সৈতে হোৱা আন এটা সাক্ষাৎকাৰত অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে কয়, যে অন্ধ্ৰপ্ৰদেশ কৃষিৰ ক্ষেত্ৰত বহু আগবাঢ়ি গৈছে। তেওঁ কয় যে অন্ধ্ৰ প্ৰদেশ ক্ষুদ্ৰ জলসিঞ্চন আৰু প্ৰাকৃতিক কৃষিৰ ক্ষেত্ৰত বহু শক্তিশালী। বৰ্তমান ২০ লাখ কৃষকে ২০ লাখ একৰ ভূমিত প্ৰাকৃতিক কৃষি কৰি আছে। ৰাজ্যখনে অনাগত বছৰবোৰত ৫০ লাখ একৰ ভূমি ৫০ লাখ কৃষকলৈ সম্প্ৰসাৰণ কৰাৰ লক্ষ্য ৰাখিছে বুলিও শ্ৰী নাইডুৱে আলোকপাত কৰে।

ooooo

পুৰুষৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত দিনৰ ১১ বজাত অনুষ্ঠিত হ'বলগীয়া গ্ৰুপ-ডিৰ এখন খেলত দক্ষিণ আফ্ৰিকা আফগানিস্তাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত বিয়লি ৩ বজাত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত অষ্ট্ৰেলিয়া আয়াৰলেণ্ডৰ সন্মুখীন হ'ব। ইপিনে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত হ'বলগীয়া গ্ৰুপ-চিৰ এখন খেলত ইংলেণ্ড ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

কলম্বোত কালি অনুষ্ঠিত এখন খেলত পাকিস্তানে আমেৰিকা যুক্তৰাষ্ট্ৰক ৩২ ৰানত পৰাস্ত কৰে। চেন্নাইত অনুষ্ঠিত গ্ৰুপ ডিৰ এখন খেলত নিউজিলেণ্ডে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ ইউ এ ইক ১০ উইকেটত পৰাস্ত কৰে। আনহাতে দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত নেডাৰলেণ্ডছে নামিবিয়াক ৭ উইকেটত পৰাস্ত কৰে।

ooooo

সমাপ্ত